**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

১। ধান ক্ৰয়ৰ ক্ষেত্ৰত অসমে সৰ্বকালৰ অভিলেখ গঢ়িছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। অসমৰ কেইবাটাও পথ প্ৰকল্পৰ অগ্ৰগতিৰ সম্পৰ্কে আজি দিল্লীত কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীৰ সৈতে মুখ্যমন্ত্ৰীৰ বৈঠক।

৩। ৰাজ্যৰ বিভিন্ন স্থানত অবৈধভাৱে চলি থকা গো-মাংস বিক্ৰীৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান। ১৭৬ জন মাংস ব্যৱসায়ীক আটক।

৪। বিদ্যালয়ৰ গৰমৰ বন্ধত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে গ্ৰীষ্মকালীন শিবিৰৰ আয়োজন। **আৰু**

৫। বাৰ্মিংহামত আজি ভাৰত আৰু ইংলেণ্ডৰ ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আৰম্ভ।

০০০০০০

ধান ক্ৰয়ৰ ক্ষেত্ৰত অসমে সৰ্বকালৰ অভিলেখ গঢ়িছে বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সদৰি কৰা মতে এইপৰ্যন্ত খাৰিফ বিপণন কালত ২০২৪-২৫ বৰ্ষত ৬ লাখ ৯৭ হাজাৰ মেট্ৰিক টন ধান ক্ৰয় কৰা হৈছে। এয়া ৰাজ্যৰ কৃষিখণ্ডৰ সৰ্বকালৰ অভিলেখ বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰা তথ্য অনুসৰি ২০২৩-২৪ বৰ্ষত ৩ লাখ ১৪ হাজাৰ মেট্ৰিক টন আৰু ২০২২-২৩ বৰ্ষত ৫ লাখ ৯২ হাজাৰ মেট্ৰিক টন ধান ক্ৰয় কৰা হৈছিল। কৃষকৰ বাবে ন্যূনতম সমৰ্থন মূল্য নিশ্চিত কৰা আৰু চৰকাৰে বজাৰ সংযোগ নিশ্চিত কৰাৰ বাবে এই সফলতা লাভ কৰাটো সম্ভৱ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰিছে। চৰকাৰে বৰ্তমান খাৰিফ বিপণন কালত ৫ লাখ ৮৫ হাটাৰ মেট্ৰিক টন ধান ক্ৰয়ৰ লক্ষ্য নিৰ্ধাৰণ কৰিছিল।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে কালি দিল্লীত উপস্থিত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীৰ সৈতে হোৱা এই সাক্ষাৎকালত মুখ্যমন্ত্ৰীয়ে অসমৰ কেইবাটাও পথ প্ৰকল্পৰ অগ্ৰগতিৰ সম্পৰ্কে আলোচনা কৰাৰ সম্ভাৱনা আছে। একেদৰে মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি বিত্তীয় আয়োগৰ অধ্যক্ষকো সাক্ষাৎ কৰি ৰাজ্যৰ উন্নয়নৰ বিভিন্ন দিশ সম্পৰ্কে আলোচনা কৰাৰ সম্ভাৱনা আছে। তদুপৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দেশৰ মুখ্য নিৰ্বাচনী আয়ুক্তৰ সৈতেও গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হোৱাৰ সম্ভাৱনা আছে।

০০০০০০

ৰাজ্যত অবৈধভাৱে চলি থকা গো-হত্যাৰ বিৰুদ্ধে চৰকাৰে শেহতীয়াকৈ কঠোৰ পদক্ষেপ গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰৰ নিৰ্দেশ অনুসৰি কালি আৰক্ষী প্ৰশাসনে ৰাজ্যৰ বিভিন্ন প্ৰান্তত অবৈধ গো-মাংস ব্যৱসায়ীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে। আৰক্ষীয়ে কালি গুৱাহাটী মহানগৰীকে ধৰি ৰাজ্যৰ বিভিন্ন প্ৰান্তত অনুজ্ঞাপত্ৰ বিহীনভাৱে গো-মাংস বিক্ৰী কৰা থকা ১৮৯ খন কচাইখানা আৰু হোটেলত অভিযান চলায়। এই

অভিযানকালত আৰক্ষীয়ে এহেজাৰ ৫১২ কিলোগ্ৰামতকৈ অধিক গো-মাংস জব্দ কৰাৰ লগতে ১৭৬ জন মাংস ব্যৱসায়ীক আটক কৰিছে।

কামৰূপ মহানগৰ আৰক্ষীয়ে কালি জিলাখনৰ ছয়মাইল, সাতগাঁও, হাতীগাঁৱৰ কেইবাটাও স্থানত অভিযান চলাই নিষিদ্ধ গো-মাংস জব্দ কৰাৰ লগতে কেইবাজনো লোকক আটক কৰিছে। জালুকবাৰী আৰক্ষীয়েও ভৰলুমুখ আৰু আদাবাৰীত অভিযান চলাই যথেষ্ট পৰিমাণৰ গো-মাংস জব্দ কৰি ইয়াৰ সৈতে জড়িত চাৰিজন লোকক আটক কৰে। একেদৰে কামৰূপ আৰক্ষীয়ে বকো, ছয়গাওঁ, ৰঙিয়াৰ ১৭ খন হোটেলত অভিযান চলাই বুজন পৰিমাণৰ গো-মাংস জব্দ কৰে। আৰক্ষীয়ে ঘটনা সংক্ৰান্তত ১৭ জন লোকক আটক কৰে।

বৰপেটা আৰক্ষীয়েও জিলাখনৰ ৪ খন হোটেলত অভিযান চলাই বৃহৎ পৰিমাণৰ নিষিদ্ধ গো-মাংস জব্দ কৰে। আইন উলংঘা কৰি গো-মাংস বিক্ৰী চলাই থকা এই চাৰিওখন হোটেলৰ পৰা আইন ভংগৰ অভিযোগত বৰপেটা আৰক্ষীয়ে চাৰিজন লোকক আটক কৰে। হোটেল কেইখনৰ বিৰুদ্ধে অসম পশুধন সংৰক্ষণ আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

শিৱসাগৰত কালি দুখন হোটেলত শিৱসাগৰ আৰক্ষী, জিলা প্ৰশাসন আৰু পশু চিকিৎসা বিভাগে অভিযান চলাই বুজন পৰিমাণৰ গো-মাংস জব্দ কৰে। হোটেল দুখনৰ স্বত্বাধিকাৰী দুজনক আৰক্ষীয়ে সোধা-পোচাৰ বাবে আটক কৰিছে।

তদুপৰি কোকৰাঝাৰ, লখিমপুৰ আৰু ডিব্ৰুগড়ত জিলাতো কালি আৰক্ষী প্ৰশাসনে গো-মাংস বিৰোধী অভিযান চলায়।

oooooo

ৰাজ্যৰ বিদ্যালয়সমূহত কালিৰেপৰা গৰম বন্ধ আৰম্ভ হৈছে। এই সময়ছোৱাত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক-মানসিক বিকাশৰ লগতে গঠনমূলক কাৰ্যত জড়িত কৰোৱাৰ উদ্দেশ্যে শিক্ষা বিভাগ আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে। গ্ৰীষ্ম বন্ধৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলাৰ সমগ্ৰ শিক্ষাৰ জিলা মিছন সমন্বয়ক দীপিকা চৌধুৰীয়ে বিদ্যালয়প্ৰধানসকললৈ এলানি নিৰ্দেশনা জাৰি কৰিছে। নিৰ্দেশনা অনুসৰি শিক্ষাৰ্থীসকলক নিজৰ বংশৰ শিপাৰ সৈতে পৰিচয় কৰাই দিয়াৰ বাবে পিতৃৰ চাৰিটা প্ৰজন্মৰ বংশবৃক্ষ প্ৰস্তুত কৰাৰ লগতে ককা-দেউতাকৰ জীৱন বীক্ষা সন্দৰ্ভত টোকা লিখিব লাগিব। তদুপৰি ভাল অভ্যাস আৰু সদ্ ব্যৱহাৰক লৈ দৈনিক টোকা লিখাৰ লগতে বাতৰি কাকত পঢ়ি তাৰ আধাৰত বাতৰি বুলেটিন প্ৰস্তুত কৰাৰ নিৰ্দেশো দিছে। একেটা নিৰ্দেশনাতে গ্ৰীষ্মৰ বন্ধৰ দিনকেইটাত ব্যৱহাৰিক শিক্ষা হিচাপে মাতৃ বা পৰিয়ালৰ সদস্যৰ সৈতে ৰন্ধন প্ৰণালীৰ জ্ঞান লোৱাৰ লগতে ৰন্ধন প্ৰকৰণ তথা ব্যঞ্জন বিষয়ক এখন পুস্তিকা প্ৰস্তুত কৰাৰ বাবেও নিৰ্দেশ দিছে।

ৰাজ্য চৰকাৰেও গ্ৰীষ্ম বন্ধ উপলক্ষে শিক্ষাৰ্থীৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই সন্দৰ্ভত আমাৰ এক প্ৰতিবেদন –

*বিগত বছৰবোৰৰ দৰে এই বছৰো অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগে গ্ৰীষ্মবন্ধৰ সময়ছোৱা ছাত্ৰ-ছাত্ৰীৰ বাবে আনন্দময় কৰি তুলিবৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। এই উদ্দেশ্যে শিক্ষাৰ্থীসকলৰ মাজত অহা ৭ জুলাইৰ পৰা ১৫ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাৰ আয়োজন কৰা হৈছে। বিধানসভা সমষ্টিভিত্তিত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থীক সংগীত, নাটক, নৃত্য আৰু পোৰামাটিৰ শিল্প বিষয়ক প্ৰশিক্ষণ দিয়া*

*হ’ব। এই কৰ্মশালাত অংশগ্ৰহণৰ বাবে শিক্ষাৰ্থীসকলে নিজ নিজ জিলাৰ সাংস্কৃতিক উন্নয়ন বিষয়াৰ কাৰ্যালয়, জিলা আয়ুক্তৰ কাৰ্যালয় অথবা সম জিলা আয়ুক্তৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিব পাৰিব।*

গৰম বন্ধৰ সময়ছোৱাত শিক্ষাৰ্থীসকলৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধনৰ বাবে বিভিন্ন বিদ্যালয় আৰু শৈক্ষিক প্ৰতিষ্ঠানসমূহেও গ্ৰীষ্মকালীন শিবিৰ অনুষ্ঠিত কৰিছে। কাৰ্বি আংলং জিলাৰ হাওৰাঘাট পি এম শ্ৰী ইংৰাজী মাধ্যম উচ্চ মাধ্যমিক বিদ্যালয়ত কালিৰেপৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত দহদিনীয়া গ্ৰীষ্মকালীন শিবিৰৰ আয়োজন কৰা হৈছে। এই শিবিৰত শিক্ষাৰ্থীসকলৰ মাজত বিভিন্ন খেল-ধেমালি, নৃত্য-গীত আৰু বাদ্যযন্ত্ৰ আদি সন্দৰ্ভত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰা হৈছে। গ্ৰীষ্ম বন্ধ উপলক্ষে নুনমাটিৰ গুৱাহাটী ৰিফাইনেৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় কৰ্তৃপক্ষইও কালিৰেপৰা পাঁচদিনীয়া কাৰ্যসূচীৰে অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত কেৰিয়াৰ সন্দৰ্ভত সচেতনতা সৃষ্টিৰ উদ্দেশ্যে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰিছে।

oooooo

**আকাশবাণী গুৱাহাটীৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে ৰঙিয়াৰ হৰদত্ত বীৰদত্ত ভৱনত কালি সন্ধিয়া আয়োজিত ওপজা দিনৰ সুবাস অনুষ্ঠানত আকাশবাণী গুৱাহাটী কেন্দ্ৰই ৰাষ্ট্ৰপতি পুৰস্কাৰ প্ৰাপ্ত কৃতি শিক্ষক, লেখক ৮২ বছৰীয়া আনন্দ দেৱ গোস্বামী, কামৰূপীয়া ঢুলীয়া শিল্পী ৰঙিয়া বালিসত্ৰ নিবাসী প্ৰভাত দাস, প্ৰাক্তন ৰাষ্ট্ৰীয় খেলুৱৈ সুভাষ চৌধুৰী, সেনাবাহিনীৰ অৱসৰপ্ৰাপ্ত লেফটেনেণ্ট জেনেৰেল ৰাণা প্ৰতাপ কলিতা, আকাশৱাণী গুৱাহাটীৰ প্ৰাক্তন কামৰূপ জিলাৰ সংবাদদাতা ৰঙিয়াৰ বিশিষ্ট সাংবাদিক তাপস চমাদ্দাৰক সম্বৰ্ধনা জনায়।**

**গধূলি ৬ বজাৰ পৰা সংগীতানুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানত দম্বৰুধৰ পাঠক আৰু জবা দাসৰ লোকগীত পৰিৱেশন, উৎপল বৰাৰ মেন্দোলিন বাদনে উপস্থিত সকলক মুগ্ধ কৰে। বিশিষ্ট সংগীতশিল্পী দিলীপ দাসৰ গীত আৰু আলাপ অনুষ্ঠানে হৰদত্ত-বীৰদত্ত ভৱন জীপাল কৰি তোলে। ৰঙিয়াৰ সন্দীপ কলিতা সমন্বয়ী কলাকেন্দ্ৰৰ শিল্পীসকলে নৃত্যানুষ্ঠান পৰিৱেশন কৰে। অনুষ্ঠানটোৰ আঁত ধৰে ইন্দ্ৰজিত দাস আৰু পৰিণিতা শইকীয়াই।**

গীত ...........

oooooo

যোৰহাট জিলা দিৱসৰ লগত সংগতি ৰাখি কালি জিলা প্ৰশাসনৰ উদ্যোগত আৰু শিক্ষা বিভাগৰ সহযোগত জিলাখনৰ বিভিন্ন চৰকাৰী, উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নৱমৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ‘কৃত্ৰিম বুদ্ধিমত্তাঃ ভৱিষ্যত প্ৰজন্মৰ বাবে আশীৰ্বাদ নে ভাবুকি’ বিষয় সন্দৰ্ভত এখন যুৱ সংসদৰ আয়োজন কৰা হয়। অসম বিধানসভাৰ প্ৰাক্তন অধ্যক্ষ তথা যোৰহাট সমষ্টিৰ বিধায়ক হীতেন্দ্ৰ নাথ গোস্বামীয়ে এই যুৱ সংসদ উদ্বোধন কৰে। অনুষ্ঠানত মৰিয়নিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মী, শিক্ষা বিভাগৰ অতিৰিক্তি জিলা আয়ুক্ত মগেন নৰহ, বিভিন্ন বিদ্যালয়ৰ অধ্যক্ষ, শিক্ষক আৰু ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

ইপিনে, যোৰহাট দিৱস উপলক্ষে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলে কাৰ্যালয় চৌহদত ‘দানবীৰ ৰজা হৰিশ্চন্দ্ৰ’ শীৰ্ষক এখন ভাওনা পৰিৱেশন কৰে।

oooooo

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত কালি চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলৰ বাবে মজুৰী ক্ষতিপূৰণ আঁচনি সন্দৰ্ভত স্বাস্থ্য বিভাগৰ এখন গুৰুত্বপূৰ্ণ পৰ্যালোচনা সভা অনুষ্ঠিত হয়। আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এই সভাত অতিৰিক্ত জিলা আয়ুক্ত সংঘমিত্ৰা বৰুৱা, ডিব্ৰুগড় জিলা স্বাস্থ্য বিভাগৰ যুটীয়া

সঞ্চালক ডাঃ তৃষ্ণা বৰা, ৰাষ্ট্ৰীয় স্বাস্থ্য মিছনৰ জিলা প্ৰকল্প প্ৰৱন্ধক সত্যজিৎ মৰাণ, ডিব্ৰুগড় জিলাৰ খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ মহকুমা চিকিৎসা বিষয়াসকল তথা স্বাস্থ্য বিভাগৰ অন্যান্য বিভাগৰ বিষয়া আৰু স্বাস্থ্যকৰ্মীসকল উপস্থিত থাকে।

০০০০০০

ৰে'ল সুৰক্ষা বাহিনীয়ে পঞ্জীয়ন অবিহনে ৰে'লৰ ই-টিকট বিক্ৰী কৰাৰ অভিযোগত অৰুণ কুমাৰ ঠাকুৰ নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰিছে। একাংশ যাত্ৰীৰ অভিযোগৰ ভিত্তিত ৰে'ল আৰক্ষীয়ে চানমাৰিৰ গান্ধীবস্তিত অভিযান চলাই লোকজনক গ্ৰেপ্তাৰ কৰে। ৰে'ল আৰক্ষীৰ তদন্তত ইতিমধ্যে অভিযুক্তজনে দীৰ্ঘদিন ধৰি ৰে'লৰ ই-টিকট অবৈধভাৱে প্ৰস্তুত কৰাটো ধৰা পৰিছে।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত চলি থকা পাঁচখনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন টেষ্ট মেচ আজি বাৰ্মিংহামৰ এডছবেষ্টনত আৰম্ভ হ'ব। খেলখন ভৰতীয় সময় অনুসৰি দিনৰ তিনি বাজি ত্ৰিশ মিনিটত আৰম্ভ হব। ইয়াৰ পূৰ্বে ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত প্ৰথমখন টেষ্টত ভাৰত পাঁচ উইকেটত পৰাস্ত হৈছিল। দ্বিতীয়খন টেষ্ট মেচত বুমৰাৰ ঠাইত ৱাশ্বিংটন সুন্দৰ বা কুলদীপ যাদৱে স্থান লাভ কৰাৰ সম্ভাৱনা আছে। অৱশ্যে তাৰকা ফাষ্ট বলাৰ যশপ্ৰীত বুমৰাই খেলা নেখেলাৰ বিষয়ত এতিয়াও ভাৰতীয় দলটোৱে কোনো নিশ্চিত তথ্য প্ৰকাশ কৰা নাই। ইফালে প্ৰথমখন টেষ্টত দূৰ্বল প্ৰদৰ্শনৰ বাবে পেচবলিং অলৰাউণ্ডাৰ শাৰদুল ঠাকুৰৰ ঠাইত নীতিশ কুমাৰ ৰেড্ডীয়ে খেলাটো প্ৰায় নিশ্বিত হৈছে। ইংলেণ্ডে দ্বিতীয়খন টেষ্টৰ বাবে জোফ্ৰা আৰ্চাৰক দলত অন্তৰ্ভুক্ত কৰাৰ পিছতো ইতিমধ্যে অপৰিৱৰ্তিত একাদশৰ নাম ঘোষণা কৰিছে। ভাৰত আৰু ইংলেণ্ডৰ মাজত তৃতীয়খন টেষ্ট মেচ ১০ জুলাইৰ পৰা লণ্ডনত আৰম্ভ হব।

০০০০০০

মহিলাৰ টি-টুৱেন্টি ক্ৰিকেটত ভাৰতে কালি ব্ৰিষ্টলৰ কাউন্ট্ৰী গ্ৰাউণ্ডত অনুষ্ঠিত পাঁচখনীয়া শৃংখলাৰ দ্বিতীয়খন খেলত ইংলেণ্ডক ২৪ ৰাণত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেটৰ বিনিময়ত ১৮১ ৰাণ কৰে। অমনজোত কৌৰে খেলখনত ৪০টা বলত অপৰাজেয় ৬৩ ৰাণৰ বৰঙণি আগবঢ়াই প্লেয়াৰ অব দা মেচ সন্মান লাভ কৰে। খেলখনত ইংলেণ্ডে নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময়ত ১৫৭ ৰাণ কৰিবলৈ সমৰ্থ হয়। এই জয়ৰ জৰিয়তে ভাৰতে টি-টুৱেন্টিৰ পাঁচখনীয়া শৃংখলাৰ দুখনত জয়লাভ কৰিছে। শৃংখলাৰ তৃতীয়খন খেল শুকুৰবাৰে লণ্ডনৰ কেনিংটন অ'ভেলত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন নিশা ১১ বজাত আৰম্ভ হ'ব।

০০০০০০

মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পাছতেই কালি ৰাজ্যৰ জিলাই জিলাই গো মাংসৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই বুজন পৰিমাণৰ নিষিদ্ধ মাংস জব্দ কৰাৰ লগতে শতাধিক লোকক আটক কৰা বাতৰিটোৱে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকসমূহৰ প্ৰথমপৃষ্ঠাত শিৰোনাম দখল কৰিছে। **নিয়মীয়া বাৰ্তা** কাকতত প্ৰকাসিত এই বাতৰিটোৰ শিৰোনাম- ৰাজ্যজুৰি নিষিদ্ধ মাংসৰ বিৰুদ্ধে কচাইখানা-হোটেলত ব্যাপক অভিযান, গো হত্যা ৰোধ কৰিবলৈ আৰক্ষী প্ৰশাসনৰ তৎপৰতা। একেটা বাতৰিকে **দৈনিক জনমভূমি** কাকতে ৰাজ্যজুৰি গো মাংসৰ বজাৰ উৎখাত শিৰোনামেৰে প্ৰথমপৃষ্ঠাত পৰিৱেশন কৰিছে। the sentinel কাকতেও crack down on beef sales শিৰোনামেৰে একেটা বাতৰিকে প্ৰথমপৃষ্ঠাত পৰিৱেশন কৰিছে। ৰাছিয়াৰ পৰা সামগ্ৰী আমদানী কৰা

**দেশসমূহৰ ওপৰত পাঁচশ শতাংশ শুল্ক আৰোপৰ দিশে আমেৰিকা যুক্তৰাষ্ট্ৰ অগ্ৰসৰ হোৱা বাতৰিটোৱেও দৈনিক অগ্ৰদূত, অসমীয়া খবৰ আদিকে ধৰি আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকসমূহৰ প্ৰথমপৃষ্ঠাত শিৰোনাম দখল কৰিছে। জনপ্ৰিয় কবি, গল্পকাৰ অনুভৱ তুলসীৰ দেহাৱসানৰ বাতৰিটোক অসমীয়া প্ৰতিদিন কাকতে প্ৰথমপৃষ্ঠাত পৰিৱেশন কৰিছে। মুখ্যমন্ত্ৰীৰ বাহনলৈ বটল নিক্ষেপৰ ঘটনাৰ বিৰুদ্ধে কালি ৰাজ্যজুৰি বিজেপিৰ যুৱ মৰ্চাই প্ৰতিবাদ সাব্যস্ত কৰা বাতৰিটোৱেও ভিন ভিন শিৰোনামেৰে গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰিকাকসমূহৰ প্ৰথমপৃষ্ঠাত শিৰোনাম দখল কৰিছে।**

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

০০০০০০

নগাঁও চহৰৰ লাওখোৱা পথৰ নিবাসী তথা নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, সাহিত্যিক পৰাণ কুমাৰ বৰুৱাৰ কালি নিশা আকস্মিকভাৱে মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৬ বছৰ। ৰাজ্য চৰকাৰৰ উদ্যোগ আৰু বাণিজ্য বিভাগৰ বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰা পৰাণ কুমাৰ বৰুৱা নগাঁৰৰ কিশলয় সাংস্কৃতিক গোষ্ঠীৰ প্ৰতিষ্ঠাপক সভাপতি আছিল। ১৫ খনকৈ গ্ৰন্থ ৰচনা কৰি অসমীয়া সাহিত্য জগতকৈ অৱদান আগবঢ়োৱা সাহিত্যিকগৰাকীৰ মৃত্যুত মন্ত্ৰী কেশৱ মহন্ত, বিধায়ক ৰূপক শৰ্মাকে ধৰি বিভিন্ন জনে শোক প্ৰকাশ কৰিছে।

০০০০০০

সমাপ্ত